BIKALI COLLEGE LIBRARY

*Total number of printed pages–3*

**14 (SEM–III) ASM 3016**

**2025**

# ASSAMESE

Paper : ASM–3016

***( Assamese Novel : 1890–2015 )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ১২×৫=৬০

(ক) স্বাধীনতাৰ পৰৱৰ্তীকালৰ অসমীয়া উপন্যাসৰ পটভূমি নিৰ্মাণৰ প্ৰতি কোনবোৰ কাৰকে বিশেষ অৱদান আগবঢ়াইছিল, এই সম্পৰ্কে আলোচনা কৰা, আৰু লগতে অসমীয়া উপন্যাসৰ ধাৰাসমূহ নিৰ্দেশ কৰা।

(খ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ইতিহাস-চেতনাৰ বিষয়ে উদাহৰণসহ এটি নিবন্ধ প্ৰস্তুত কৰা।

BIKALI COLLEGE LIBRARY

(গ) ৰাস্না বৰুৱাৰ 'সেউজী পাতৰ কাহিনী'ত নৰেশ্বৰ আৰু চনিয়া চৰিত্ৰ দুটাৰ জৰিয়তে সমসাময়িক সমাজৰ স্বৰূপ কিদৰে উন্মোচিত হৈছে, দেখুওৱা।

(ঘ) 'বণ্ডুকা বেহাৰ' উপন্যাসখনৰ ঘটনা-প্ৰবাহে মাধৱদেৱৰ ব্যক্তিত্বৰ কোনবিলাক দিশ উজলাই তুলিছে, উদাহৰণসহ আলোচনা কৰা।

(ঙ) 'পিতা-পুত্ৰ' উপন্যাসত সমসাময়িক সমাজৰ আৰ্থসামাজিক আৰু ৰাজনৈতিক দিশ কিদৰে অংকিত হৈছে, এই সম্পৰ্কে যথোচিত উদাহৰণসহ এটি নিবন্ধ লিখা।

(চ) 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত ঔপন্যাসিকাৰ জীৱন-দৰ্শন কিদৰে প্ৰকাশ পাইছে, তাৰ উদাহৰণসহ এটি পৰ্যালোচনা আগবঢ়োৱা।

(ছ) "এপিনে অস্তিত্ব ৰক্ষাৰ প্ৰাণান্তকৰ সংগ্ৰাম, আনপিনে অন্তৰৰ চিৰন্তন প্ৰেম-প্ৰীতিৰ মানৱীয় আৱেগ-অনুভূতিৰ বিজয় ঘোষণা— এই দুয়োৰে আৱৰ্তত ৰচিত হৈছে 'জংগম'ৰ ৰসোত্তীৰ্ণ সংবেদনশীল কাহিনী" — এই মন্তব্যৰ আঁত ধৰি 'জংগম' উপন্যাসৰ এটি আলোচনা যুগুত কৰা।

(জ) চেতনা-স্ৰোত পদ্ধতিত ৰচিত উপন্যাস হিচাপে ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'মৰুদ্যান' উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা।

BIKALI COLLEGE LIBRARY

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) আধুনিক উপন্যাসৰ বৈশিষ্ট্য

(খ) বন্ধ উপন্যাস আৰু মুক্ত উপন্যাস

(গ) 'নীলকণ্ঠী ব্ৰজ' উপন্যাসৰ পটভূমি

(ঘ) শিৱনাথ

(ঙ) 'জংগম' উপন্যাসৰ ইতিহাস-চেতনা

(চ) 'ধূসৰতাৰ কাব্য' উপন্যাসৰ ভাষা

---